# 2017

## ASSAMESE

( Major )

Paper : 5.5

**( Sahitya Samalochana )**

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ দিয়া : ১×৭=৭

(ক) ৰুদ্ৰতৰ মতে ৰসৰ সংখ্যা কেইটা ?

(খ) 'শম' এবিধ স্থায়ী ভাব—এই ভাবৰ পৰা উপলব্ধ ৰস কি হ'ব পাৰে ?

(গ) বিশ্বনাথৰ মতে সাত্ত্বিক ভাব কেইটা ?

(ঘ) 'আৰ্ছ পয়েটিকা' নামৰ পুথিখনৰ গ্ৰন্থকাৰজন কোন আৰু তেওঁ কোন দেশৰ ?

(ঙ) ইংৰাজী সাহিত্যত ৰমণ্যাসবাদৰ সূচনা কৰা গ্ৰন্থখনৰ নাম আৰু প্ৰকাশকাল উল্লেখ কৰা।

(চ) প্ৰথম আধুনিক অসমীয়া নাটকখনৰ নাম কি আৰু ৰচকজন কোন?

(ছ) 'অধিবাস্তৱবাদ' (Surrealism)ৰ নেপথ্যত তিনিজন বিশিষ্ট চিন্তাবিদ-দাৰ্শনিকৰ প্ৰভাৱ দেখা যায়—অন্ততঃ দুজনৰ নাম উল্লেখ কৰা।

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) বিভাব কি আৰু কেই প্ৰকাৰৰ?

(খ) এৰিষ্ট'ট'লৰ ট্ৰেজেদিৰ সংজ্ঞা মতে ট্ৰেজেদিৰ দুটা বিশিষ্ট লক্ষণ উল্লেখ কৰা।

(গ) 'ঔপন্যাসিকৰ জীৱন দৰ্শন' মানে কি?

(ঘ) 'প্ৰতীকবাদ'ৰ দুটা প্ৰধান বৈশিষ্ট্য উল্লেখ কৰা।

৩। (ক) সাহিত্যত কোনবিধ ৰসক শ্ৰেষ্ঠ ৰস বুলি কোৱা হয়? আলংকাৰিকসকলে দিয়া ভিন্ন মতৰ আধাৰত এটি আলোচনা আগবঢ়োৱা। ২+৮=১০

*অথবা*

(খ) এৰিষ্ট'ট'লৰ 'অনুকৰণ-তত্ত্ব' (Memesis) সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। ১০

৪। (ক) ৰমণ্যাসবাদ (Romanticism)ত 'কল্পনা' (Imagination)ৰ স্থান সম্পৰ্কে আলোচনা কৰা। ১০

*অথবা*

(খ) পাশ্চাত্য আৰু অসমীয়া সাহিত্যৰ নিদৰ্শনসহ 'চিত্ৰকল্পবাদ'ৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।





৫। (ক) মেথ্যু আৰ্নল্ডৰ 'কবিতা জীৱনৰ সমালোচনা' (Poetry is the criticism of life) কথাষাৰৰ যথাৰ্থতা প্ৰমাণ কৰা। ১০

*অথবা*

(খ) চুটিগল্পত পৰিবেশ সৃষ্টিৰ গুৰুত্ব সম্পৰ্কে উপযুক্ত উদাহৰণসহ এটি সমালোচনামূলক টোকা প্ৰস্তুত কৰা।

৬। চমু টোকা লিখা (যি কোনো **তিনিটা**) : ৫×৩=১৫

(ক) ভৰত মুনিৰ ৰসৰ সূত্ৰ

(খ) লঙ্গিনাচৰ দৃষ্টিত সাহিত্যৰ প্ৰকাশভংগী

(গ) মহাকাব্যৰ ভাষা

(ঘ) আধুনিক নাটকত প্ৰতীক

(ঙ) চুটিগল্প আৰু উপন্যাসৰ প্ৰধান পাৰ্থক্য

★★★